
অসম

২০২৭ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী প্ৰকাশ; ১২ মাৰ্চৰ পৰা আৰম্ভ পৰীক্ষা

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৭ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰিছে। পৰীক্ষা ১২ মাৰ্চৰ পৰা ৫ এপ্ৰিললৈ চলিব।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২০



ASSEB releases 2027 Higher Secondary final examination timetable (NEWZNOW)

গুৱাহাটী, ১৯ নৱেম্বৰ: অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৭ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী প্ৰকাশ কৰিছে। সূচী অনুসৰি ১২ মাৰ্চৰ পৰা আৰম্ভ হ'বলগীয়া পৰীক্ষা ৫ এপ্ৰিলত সামৰণি পৰিব।

পৰীক্ষাসমূহ দুটা ভাগত অনুষ্ঠিত হ'ব। পুৱাৰ ভাগৰ পৰীক্ষা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু বিয়লিৰ ভাগৰ পৰীক্ষা দিনৰ ১.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ অনুষ্ঠিত হ'ব।

পৰীক্ষাৰ সময়সূচী

ASSAM STATE SCHOOL EDUCATION BOARD, DIVISION-II (ERSTWHILE AHSEC)
BAMUNIMAIDAM::GUWAHATI-781021

PROGRAMME

Higher Secondary Final Examination-2027

Day and Date	Morning From 09.00 AM to 12.00 Noon	Afternoon Form 01.30 PM to 04.30 PM
Friday, March 12, 2027		English
Saturday, March 13, 2027		Entrepreneurship Development
Monday, March 15, 2027		[2]MIL / Alternative English
Tuesday, March 16, 2027		Economic Geography/Fine Arts*
Wednesday, March 17, 2027		Economics
Thursday, March 18, 2027	[3]Music Group*	Computer Science and Application
Friday, March 19, 2027	Artificial Intelligence*/Bihu*	Multimedia And Web Technology
Saturday, March 20, 2027	Business Studies	Chemistry / Education
Wednesday, March 24, 2027		Physics /Accountancy / Political Science
Thursday, March 25, 2027	[4]Skill (Group A) *	Community Science
Saturday, March 27, 2027		Biology / Insurance / History
Monday, March 29, 2027	Psychology	Logic and Philosophy
Tuesday, March 30, 2027	Arabic / Persian / Sanskrit/Tai Language	[6]Advanced Languages
Wednesday, March 31, 2027	[5]Skill (Group B) *	Mathematics
Thursday, April 01, 2027		Anthropology / Sales Management and Advertising
Friday, April 02, 2027		Business Mathematics and Statistics / Geography
Saturday, April 03, 2027	Swadesh Adhyayan	Statistics
Monday, April 05, 2027	Geology / Sociology	Finance / Financial Literacy

ASSEB releases 2027 Higher Secondary final examination timetable

১২ মার্চত বিয়লিৰ ভাগত ইংৰাজী বিষয়ৰ পৰীক্ষাৰে এইবাৰৰ পৰীক্ষা আৰম্ভ হ'ব। ১৩ মার্চত উদ্যোগ বিকাশ, ১৫ মার্চত MIL/বিকল্প ইংৰাজী, ১৬ মার্চত অর্থনৈতিক ভূগোল/চাৰুকলা আৰু ১৭ মার্চত অর্থনীতি বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

১৮ মার্চত পুৱাৰ ভাগত সংগীত গোট আৰু বিয়লিৰ ভাগত কম্পিউটাৰ বিজ্ঞান আৰু প্রয়োগৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ১৯ মার্চত পুৱাৰ ভাগত কৃত্রিম বুদ্ধিমত্তা/বিহু আৰু বিয়লিৰ ভাগত মাল্টিমিডিয়া আৰু ৱেব প্রযুক্তিৰ পৰীক্ষা থাকিব। ২০ মার্চত পুৱাৰ ভাগত ব্যৱসায় অধ্যয়ন আৰু বিয়লিৰ ভাগত ৰসায়ন বিজ্ঞান/শিক্ষা বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

ইয়াৰ পাছত ২৪ মার্চত বিয়লিৰ ভাগত পদার্থ বিজ্ঞান, হিচাপবিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ২৫ মার্চত পুৱাৰ ভাগত দক্ষতা (গোট A) আৰু বিয়লিৰ ভাগত সম্প্রদায় বিজ্ঞানৰ পৰীক্ষা থাকিব। ২৭ মার্চত বিয়লিৰ ভাগত জীৱবিজ্ঞান, বীমা আৰু বুৰঞ্জী বিষয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

২৯ মার্চত পুৱাৰ ভাগত মনোবিজ্ঞান আৰু বিয়লিৰ ভাগত যুক্তিবিদ্যা আৰু দর্শনৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ৩০

মার্চত পুৱাৰ ভাগত আৰবী, পাৰ্চী, সংস্কৃত আৰু টাই ভাষা তথা বিয়লিৰ ভাগত উন্নত ভাষাসমূহৰ পৰীক্ষা থাকিব। ৩১ মার্চত পুৱাৰ ভাগত দক্ষতা (গোট B) আৰু বিয়লিৰ ভাগত গণিতৰ পৰীক্ষা অনুষ্ঠিত হ’ব।

এপ্রিল মাহৰ ১ তাৰিখে বিয়লিৰ ভাগত নৃতত্ত্ব, বিক্রী ব্যৱস্থাপনা আৰু বিজ্ঞাপন; ২ তাৰিখে ব্যৱসায়িক গণিত আৰু পৰিসংখ্যা/ভূগোল; ৩ তাৰিখে পুৱাৰ ভাগত স্বদেশ অধ্যয়ন আৰু বিয়লিৰ ভাগত পৰিসংখ্যাৰ পৰীক্ষা অনুষ্ঠিত হ’ব। ৫ এপ্রিলত পুৱাৰ ভাগত ভূতত্ত্ব/সমাজতত্ত্ব আৰু বিয়লিৰ ভাগত বিত্ত/বিত্তীয় সাক্ষৰতাৰ পৰীক্ষাৰে ২০২৭ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সামৰণি পৰিব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4407/assam-hs-final-exam-schedule-2027